# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 21-09-2024 **Time :** 1845 Hrs.

***Assamese Evening Bulletin***
***Headlines***

১। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ ঢেকীয়াজুলিত ১১ গৰাকী শ্বহীদৰ প্ৰতিমূৰ্তি উন্মোচন। ঢেকীয়াজুলিক উপ-জিলাৰূপে ঘোষণা।

২। ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যৰ কোকৰাঝাৰ জিলাত স্বচ্ছতাই সেৱা কাৰ্যসূচীত অংশগ্ৰহণ। ডিব্ৰুগড়ত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰো কেইবাটাও স্বচ্ছতা সেৱা কাৰ্যসূচী ৰূপায়ণ।

৩। আম আদমী পাৰ্টিৰ জ্যেষ্ঠ নেত্ৰী আতিশী মাৰ্লেনাৰ দিল্লীৰ নতুন মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ।

৪। অসম চৰকাৰে ৰাজ্যখনত ৪ হাজাৰ বিদ্যালয় পুনৰ নিৰ্মাণ কৰিব বুলি মুখ্যমন্ত্ৰীৰ প্ৰকাশ।

আৰু

৫। বাংলাদেশৰ বিৰুদ্ধে চেন্নাইত চলি থকা প্ৰথমখন টেষ্টৰ তৃতীয়দিনত ভাৰতৰ সবল স্থিতি অক্ষুণ্ণ। তৃতীয় দিনৰ অন্তত আলহী দলটোৰ ৪ উইকেটৰ বিনিময়ত ১৫৮ ৰান সংগ্ৰহ।

০০০০

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি শোণিতপুৰ জিলাৰ ঢেকীয়াজুলিত চহিদ স্মাৰক উদ্যানৰ সন্মিলন কেন্দ্ৰ উদ্বোধন কৰাৰ লগতে ১১ গৰাকী শ্বহীদৰ প্ৰতিমূৰ্তি উন্মোচন কৰে। মনবৰ নাথ, কুমলী দেৱী, মহিৰাম কোচ, তিলেশ্বৰী বৰুৱা, ৰতন কোচ, খহুলী দেৱী, মণিৰাম কোচ, লেৰেলা কোচ, সৰুনাথ চুতীয়া, দয়াল পাণিকা আৰু মংগল কোচ নামৰ শ্বহীদ কেইগৰাকীৰ প্ৰতিমূৰ্তি উন্মোচন কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনত অঞ্চলটোৰ ৰাইজে গ্ৰহণ কৰা বিশেষ ভূমিকা আৰু আত্মবলিদানৰ কথা ভাষণ প্ৰসংগত উল্লেখ কৰে। ঢেকীয়াজুলি অঞ্চলৰ সাহসী শ্বহীদসকলৰ আত্মত্যাগৰ কথা উল্লেখ কৰি ড° শৰ্মাই কয় যে দেশত জালিয়ানাৱালাবাগৰ পাছত ঢেকীয়াজুলিতে সৰ্বাধিক সংখ্যক লোকে দেশৰ হকে প্ৰাণত্যাগ কৰিছিল। অঞ্চলটোৰ বিভিন্ন জাতি-জনজাতিৰ লোকে ঐক্যবদ্ধভাৱে স্বাধীনতা আন্দোলনত অংশগ্ৰহণ কৰিছিল বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী শৰ্মাই ঢেকীয়াজুলিৰ এই অৱদান বৰ্ণিল আখৰেৰে ভাৰতৰ ইতিহাসত লিখা থাকিব বুলি উল্লেখ কৰে। ২০২১-২২ বিত্তীয় বৰ্ষৰ পৰা ২০২৩-২৪ বিত্তীয় বৰ্ষলৈ ১১ কোটি ৯৪ লাখ টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰা শ্বহীদ স্মাৰক উদ্যানখনৰ উদ্বোধনী অনুষ্ঠানটোত মুখ্যমন্ত্ৰীয়ে ঢেকীয়াজুলীক উপ-জিলা ৰূপেও ঘোষণা কৰে। ঢেকীয়াজুলি উপ-জিলাৰ কাম-কাজ ২ অক্টোবৰৰ পৰা আৰম্ভ হ'ব বুলি মুখ্যমন্ত্ৰী ড° শৰ্মাই জানিবলৈ দিয়ে। অনুষ্ঠানত সাংস্কৃতিক পৰিক্ৰমা মন্ত্ৰী বিমল বৰা, গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা মন্ত্ৰী অশোক সিংহল, বিধায়ক পৃথিৰাজ ৰাভা, গণেশ কুমাৰ লিম্বু আৰু শোণিতপুৰ জিলাৰ ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০০০০

ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই আজি কোকৰাঝাৰ জিলাত স্বচ্ছতাই সেৱা কাৰ্যসূচীত অংশ লোৱাৰ লগতে কেইবাটাও অনুষ্ঠানত অংশ গ্ৰহণ কৰে। তেওঁ বড়োফা সাংস্কৃতিক কেন্দ্ৰত আন্তৰাষ্ট্ৰীয় শান্তি দিৱস উপলক্ষে আয়োজিত অনুষ্ঠানত অংশগ্ৰহণ কৰে। ৰাজ্যপালগৰাকীয়ে বড়োলেণ্ড বিশ্ববিদ্যালয়ত উপস্থিত হৈ বড়োফা উপেন্দ্ৰ নাথ ব্ৰহ্মৰ প্ৰতিমুৰ্তিত পুষ্পমাল্য তৰ্পন কৰি শ্ৰদ্ধা তৰ্পন কৰে। তেওঁ লগতে বিশ্ববিদ্যালয়খনৰ বিদ্যায়তনিক আৰু প্ৰশাসনীয় কাম কাজৰ বুজ লয়। বিশ্ববিদ্যালয়খনৰ অধ্যাপক, অধ্যাপিকা আৰু প্ৰশাসনীয় বিষয়ববীয়াসকলৰ সৈতে মত বিনিময় অনুষ্ঠানত তেওঁ দেশৰ ভৱিষ্যত গঢ়াৰ ক্ষেত্ৰত শিক্ষাৰ গুৰুত্ব সম্পৰ্কে উল্লেখ কৰে। এই প্ৰসংগতে তেওঁ সমাজত সৰ্বাত্মক পৰিৱৰ্তন সাধন কৰাৰ ক্ষেত্ৰত বিশ্ববিদ্যালয়খনৰ ভূমিকাৰ বিষয়ে উল্লেখ কৰে। তেঁও কয় যে ভাৰতক বিকাশৰ পথত অগ্ৰসৰ হোৱাৰ সময়ত বিশ্ববিদ্যালয়সমূহৰ দায়িত্ব জ্ঞানৰ প্ৰসাৰতে সীমাবদ্ধ নাথাকি ব্যাপক হৈ পৰিছে। এই শিক্ষানুষ্ঠানসমূহে ছাত্ৰ-ছাত্ৰীৰ চৰিত্ৰ, বুদ্ধিমত্তা আৰু বৌদ্ধিক বিকাশৰ ক্ষেত্ৰত চালিকাশক্তি হোৱা উচিত বুলিও তেওঁ উল্লেখ কৰে। শ্ৰীআচাৰ্যই বিশ্ববিদ্যালয়খনৰ প্ৰতিগৰাকী সদস্যক স্বচ্ছ উদ্দেশ্য আৰু স্পষ্ট লক্ষ্য আগত ৰাখি দেশৰ প্ৰগতিত অৰিহণা যোগাব পৰাকৈ কাম কৰি যাবলৈ আহ্বান জনায়। তেওঁ বিশ্ববিদ্যালয়খনত ইনকিউবিশ্বন চেণ্টাৰ আৰু জৈৱ প্ৰযুক্তি, কৃষক কেন্দ্ৰ পৰিদৰ্শন কৰে। এই কেন্দ্ৰত ব্যৱহৃত আধুনিক প্ৰযুক্তি আৰু উদ্ভাৱন সম্পৰ্কেও তেওঁ আগ্ৰহ প্ৰকাশ কৰে। ইয়াৰ আগেয়ে ৰাজ্যপালগৰাকীয়ে জিলাখনৰ আদাবাৰীত বড়োলেণ্ড ৰেচম উদ্যান আৰু এৰী সূতা কটা কলো পৰিদৰ্শন কৰে। শ্ৰীআচাৰ্যই এই সূতাকটা কল আৰু উদ্যানৰ সামগ্ৰীসমূহৰ মান সম্পৰ্কে সন্তুষ্টি প্ৰকাশ কৰে। তেওঁ লগতে এই সামগ্ৰীসমূহৰ বিপনন কৌশল বৃদ্ধি কৰি আন্তৰাষ্ট্ৰীয় বজাৰত উপলব্ধ কৰাৰ ওপৰতো গুৰুত্ব আৰোপ কৰে। ৰাজ্যপালগৰাকীয়ে পাছত স্বচ্ছতাই

সেৱা কাৰ্যসূচীত অংশ লয়। উল্লেখযোগ্য যে স্বচ্ছ ভাৰত অভিযানৰ ১০ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে যোৱা ১৭ অক্টোবৰৰ পৰা দেশজুৰি এই অভিযান ৰূপায়ণ কৰা হৈছে। অহা ২ অক্টোবৰত এই অভিযানৰ সামৰণি পৰিব। ৰাজ্যপাল শ্ৰীআচাৰ্যই আজি বিটিচিৰ সচিবালয় চৌহদত সেউজ বড়োলেণ্ড মিছনৰ অংশ হিচাপে গছপুলিও ৰোপণ কৰে।

0000000

স্বচ্ছতাই সেৱা কাৰ্যসূচীৰ অংশ হিচাপে আজি কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে ডিব্ৰুগড়ত কেই বাটাও কাৰ্যসূচীত অংশগ্ৰহণ কৰে। অনুষ্ঠানত অংশ লৈ তেওঁ কয় যে, এখন সুস্থ সবল সমাজ গঢ়ি তোলাৰ বাবে সকলোকে স্বচ্ছতাক দৈনন্দিন জীৱনৰ অংগ হিচাপে আকোৱালি ল'ব লাগিব। মন্ত্ৰীগৰাকীয়ে ডিব্ৰুগড় অসামৰিক চিকিৎসালয়ত স্বচ্ছতাৰ বাবে জনঅংশীদাৰ কাৰ্যসূচীত অংশ লৈ পৰিবেশ স্বচ্ছ আৰু নিকাকৈ ৰখাৰ বাবে প্ৰতিগৰাকী নাগৰিকক দায়বদ্ধ আৰু সংকল্পবদ্ধ হ'বলৈ আহ্বান জনাই তেওঁ চিকিৎসালয়খনত স্বচ্ছতা অভিযানত প্ৰত্যক্ষভাৱে অংশ লয়। মন্ত্ৰীগৰাকীয়ে ছাফাই মিত্ৰ সুৰক্ষা শিবিৰো শুভাৰম্ভ কৰে। তেওঁ কয় যে, পৰিষ্কাৰ পৰিচ্ছন্নতাৰ দিশত জনসাধাৰণৰ একোটি পদক্ষেপে দেশক স্বচ্চ আৰু সুস্থ কৰি তোলাত সহায় কৰিব। ইয়াৰ বাবে সকলোৱে ছাফাই কৰ্মীৰ ভূমিকা পালন কৰিব লাগিব বুলি মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে।

0000000

কেন্দ্ৰীয় পৰিবেশ, বন আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰালয়ে বন্যপ্ৰাণীৰ আৱাসভূমিৰ সংহত উন্নয়নৰ বাবে ১০০ দিনীয়া লক্ষ্য সম্পূৰ্ণ কৰিছে। শেহতীয়াকৈ কেন্দ্ৰীয় মন্ত্ৰীসভাই বন্যপ্ৰাণীৰ আৱাসভূমিৰ উন্নয়ন আঁচনিৰ ৰূপায়ণ অব্যাহত ৰখাৰ বাবে ২৬০০ কোটিৰো অধিক ধন ব্যয়ত অনুমোদন জনাইছিল। আঁচনিখনত বন্যপ্ৰাণীৰ আৱাসভূমিৰ উন্নয়নৰ লগতে হস্তী সংৰক্ষণ প্ৰকল্প আৰু ব্যঘ্ৰ প্ৰকল্পৰ দৰে গুৰুত্বপূৰ্ণ প্ৰকল্পও অন্তৰ্ভুক্ত হৈছে। মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে, এই আঁচনিৰ অধীনত কমেও ৫০ লাখ কৰ্ম দিন সৃষ্টিৰে জীৱিকা উপাৰ্জনৰ সুযোগ দিয়া হৈছে। এই আঁচনিয়ে মুঠ ৫৫ টা ব্যাঘ্ৰ সংৰক্ষিত বনাঞ্চল, ৩৩ টা হস্তী সংৰক্ষিত বনাঞ্চল আৰু ৭১৮ টা সুৰক্ষিত এলেকাৰ লগতে ইয়াৰ কাষৰীয়া মণ্ডলসমূহ সামৰি লৈছে। এই আঁচনিখন অব্যাহত ৰখাৰ ফলত চৰকাৰে বাঘৰ লগতে অন্যান্য বন্যপ্ৰাণী সংৰক্ষণ নিশ্চিত কৰাৰ লগতে দেশৰ বিত্তীয় দিশ আৰু পৰিবেশ তন্ত্ৰ সমান্তৰালভাৱে বিকাশৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে।

0000000

আলঝেইমাৰ আৰু ডিমেনচিয়া ৰোগ সন্দৰ্ভত বিশ্বজুৰি সজাগতা সৃষ্টিৰ বাবে আজিৰ দিনটো বিশ্ব আলঝেইমাৰ দিৱস হিচাপে পালন কৰা হৈছে। এই উপলক্ষে বিভিন্ন স্থানত এই ৰোগ সন্দৰ্ভত সজাগতা কাৰ্যসূচী গ্ৰহণ কৰাৰ লগতে এই ৰোগৰ প্ৰতি থকা ভ্ৰান্ত ধাৰণা দূৰ কৰাৰ প্ৰয়াস কৰা হৈছে। এইবাৰ এই দিৱসৰ বিষয় হৈছে ডিমেনচিয়া আৰু আলঝেইমাৰক লৈ কাম কৰাৰ সময় সমাগত। উল্লেখযোগ্য যে আলঝেইমাৰত আক্ৰান্ত ৰোগীৰ মগজুৰ কোষ সংকুচিত আৰু ক্ষতি হোৱাৰ ফলত স্মৃতি শক্তি হ্ৰাস পোৱাৰ উপৰি সামাজিক সংযোজনৰ ক্ষমতাও কমি আহে। তথ্য অনুসৰি বিশ্বৰ ৫৫ নিযুততকৈ অধিক লোক এই ৰোগত আক্ৰান্ত হৈ স্মৃতি শক্তি হেৰুৱাই পেলায়। অধিক সংখ্যক লোকৰে এই ৰোগ সন্দৰ্ভত থকা ভ্ৰান্ত ধাৰণাৰ বাবে ইয়াক বাঢ়ি অহা বয়সৰ স্বাভাৱিক উপসৰ্গ বুলি গণ্য কৰা হয় যদিও ইয়াক লৈ ব্যাপক সচেতনতাৰ প্ৰয়োজন আছে।

0000000

উত্তৰ পূব সীমান্ত ৰেলৰে সুৰক্ষা বাহিনীয়ে ৰেলত নিষিদ্ধ সামগ্ৰী পৰিবহনৰ বিৰুদ্ধে অভিযান অব্যাহত ৰাখি যোৱা ১ চেপ্তেম্বৰৰ পৰা ১৫ চেপ্তেম্বৰলৈ ২৬ লাখ ৪৮ হাজাৰ টকাৰো অধিক মূল্যৰ নিষিদ্ধ সামগ্ৰী জব্দ কৰে। এই সময়ছোৱাত বাহিনীয়ে নিষিদ্ধ সামগ্ৰী পৰিবহনত জড়িত থকাৰ অভিযোগত ৯ জন লোকক কৰায়ত্ত কৰে। উল্লেখযোগ্য যে চলিত বছৰৰ জানুৱাৰীৰ পৰা আগষ্ট পৰ্যন্ত ৰেলৰে সুৰক্ষা বাহিনীয়ে ২৩ কোটি ৫০ লাখ টকাৰো অধিক মূল্যৰ নিষিদ্ধ নাইবা চোৰাং সামগ্ৰী জব্দ কৰে। এই সন্দৰ্ভত এই সময়ছোৱাত ২৮৩ জন চোৰাং সৰবৰাহকাৰীকো কৰায়ত্ত কৰা হৈছে।

0000000

বিশ্ব শান্তি দিৱসৰ সৈতে সংগতি ৰাখি আজি অখিল ভাৰতীয় শিক্ষক সংঘৰ কাৰ্যসূচী অনুসৰি তথা অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনীৰ উদ্যোগত বিভিন্ন বিদ্যালয়ৰ প্ৰাতঃসভাৰ সময়ত শিক্ষাৰ্থী তথা অভিভাৱকৰ উপস্থিতিত জলবায়ু পৰিৱৰ্তন সম্পৰ্কত সজাগতা সৃষ্টি কৰা হয়। ৰাজ্যিক সমিতিৰ কাৰ্যসূচীৰ অংশ হিচাপে মৰিগাওঁ

জিলা প্ৰাথমিক শিক্ষক সন্মিলনীৰ উদ্যোগত আজি জিলাখনৰ বিভিন্ন অঞ্চলত এই কাৰ্যসূচী ৰূপায়ণ কৰা হয়। অনুষ্ঠানৰ অংশ হিচাপে গছপুলি ৰোপণ আৰু সভা অনুষ্ঠিত কৰা হয়।

০০০০০০০

আম আদমী পাৰ্টীৰ জ্যেষ্ঠ নেত্ৰী আতিশী মাৰ্লেনাই আজি দিল্লীৰ নতুন মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰে। ৰাজ নিবাসত অনুষ্ঠিত শপত গ্ৰহণ অনুষ্ঠানত দিল্লীৰ উপ-ৰাজ্যপাল এল জি ভি কে ছাক্সেনাই আতিশীৰ লগতে মন্ত্ৰী পৰিষদক শপত বাক্য পাঠ কৰোৱায়। উল্লেখযোগ্য যে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আপৰ নেতা অৰবিন্দ কেজৰিৱালৰ পদত্যাগৰ পাছত আতিশী মাৰ্লেনাক দিল্লীৰ মুখ্যমন্ত্ৰী হিচাপে নিযুক্তি দিয়াৰ লগতে অন্য ৫ গৰাকী মন্ত্ৰীৰ নিযুক্তিৰ বাবেও অনুমতি দিছিল। এই নতুন মন্ত্ৰীসভাৰ মন্ত্ৰীসকল হৈছে - গোপাল ৰায়, কৈল্যাস গেহলট, সৌৰভ ভৰদ্বাজ, ইমৰান হুছেইন আৰু মুকেশ আহলাৱট। উল্লেখযোগ্য যে সুষমা স্বৰাজ আৰু শীলা দিক্ষিতৰ পাছত আতিশী মাৰ্লেনা দিল্লীৰ তৃতীয়গৰাকী মহিলা মুখ্যমন্ত্ৰী।

০০০০০০০

অসম চৰকাৰে ৰাজ্যখনত ৪ হাজাৰ বিদ্যালয় পুনৰ নিৰ্মাণ কৰিব বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। ইয়াৰ ভিতৰত ৫০০ খন বিদ্যালয়ৰ অহা বছৰৰ আৰম্ভণিতে নিৰ্মাণ সম্পূৰ্ণ হ'ব। প্ৰতিযোগিতামূলক পৃথিৱীখনত খাপ খাব পৰাকৈ অসমৰ ভৱিষ্যত প্ৰজন্মক দক্ষতা আৰু কৌশলেৰে সাজু কৰি তুলিবলৈ চৰকাৰী বিদ্যালয়সমূহৰ আন্তঃগাঁথনি উন্নয়নত অসম চৰকাৰে গুৰুত্ব প্ৰদান কৰিছে বুলি শ্ৰী শৰ্মাই মন্তব্য কৰে। আজি মুখ্যমন্ত্ৰীগৰাকীয়ে বেজেৰাত নিৰ্মীয়মান ৪ হাজাৰ বিদ্যালয়ৰ মাজৰ এখনৰ নিৰ্মাণ অগ্ৰগতিৰ পৰিদৰ্শন কৰে।

০০০০০০০

অসম আৰক্ষীৰ তদাৰকী আৰু দুৰ্নীতি নিবাৰণী সঞ্চালকালয়ৰ এটা দলে আজি কামৰূপ জিলাৰ মিৰ্জাৰ লোক নিৰ্মাণ আৰু ৰাষ্ট্ৰীয় ঘাইপথ সংমণ্ডলৰ নিৰ্মাণ উপ সংমণ্ডলৰ মহকুমাধিপতি সুবধ দাসক উৎকোচ লোৱাৰ অভিযোগত হাতে লোটে ধৰা পেলায়। বিষয়াগৰাকীয়ে নিজৰ কাৰ্যালয়ত উৎকোচ লৈ থকা অৱস্থাত গোপনে বৈ থকা সঞ্চালকালয়ৰ দলে তেওঁক ধৰা পেলায়।

০০০০০০০

ওদালগুৰি জিলাৰ টংলাত আজিৰেপৰা আৰম্ভ হোৱা অসম সাহিত্য সভাৰ ষষ্ঠ পূৰ্ণাংগ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহকত বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে অংশগ্ৰহণ কৰে। শ্ৰী দৈমাৰীয়ে সাহিত্য সভাই অসমৰ জাতীয় জীৱনৰ দিক্ নিৰ্ণায়ক অনুষ্ঠান হিচাপত কাম কৰি আহিছে বুলি মন্তব্য কৰে। বিধানসভাৰ অধ্যক্ষগৰাকীয়ে এটা ভাষা জাতিৰ অস্তিত্ব স্বৰূপ বুলি মন্তব্য কৰি কয় যে সাহিত্য অবিহনে ভাষা জীয়াই ৰখাটো অসম্ভৱ। অসম সাহিত্য সভাৰ পতাকা উত্তোলনেৰে আৰম্ভ হোৱা আজিৰ কাৰ্যসূচীৰ অসম সাহিত্য সভাৰ সভাপতি সূৰ্যকান্ত হাজৰিকাই শুভাৰম্ভ কৰে। পতাকা উত্তোলন কৰি দিয়া ভাষণত ড° হাজৰিকাই অসমীয়া ভাষা সাহিত্য উন্নয়নৰ লগতে সাধাৰণ মানুহৰ মাজত সুপ্ত হৈ থকা সৃজনীমূলক সৃষ্টিৰাজিক উদ্ভাষিত কৰিবলৈ আৰু বিভিন্ন জাতি-জনগোষ্ঠীৰ সমন্বয়ৰ বাবে অসম সাহিত্য সভাই অহোপুৰুষাৰ্থ কৰি যাব বুলি ব্যক্ত কৰে। অধিৱেশনত অসমৰ বিভিন্ন প্ৰান্তৰ প্ৰতিনিধি উপস্থিত থকাৰ লগতে কুঁহি, ৰামধেনু আৰু আকাশ অনুষ্ঠানৰ সদস্যৰ উপস্থিতিৰে আজীৱন সভ্য সন্মিলন অনুষ্ঠিত হয়। কাইলৈ সাহিত্য সভাৰ পূৰ্ণাংগ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত হ'ব।

০০০০০০০

জ্যেষ্ঠ নাগৰিক সন্মিলন, অসমৰ অন্তৰ্গত নামনি মাজুলী জ্যেষ্ঠ নাগৰিক শাখা সন্মিলনৰ সপ্তম দ্বি-বাৰ্ষিক অধিৱেশনখন আজি বিৰিণাবাৰী গাঁৱত অনুষ্ঠিত হয়। পৰিৱেশ নিকাকৰণ, গছপুলি ৰোপণ, পতাকা উত্তোলন আৰু স্মৃতি তৰ্পণৰ পাছত বিষয় বাছনি সভা আৰু সদস্য পঞ্জীয়নৰ লগতে কাৰ্যসূচীৰ অংশ হিচাপে এখন মুকলি সভা অনুষ্ঠিত হয়। সভাত নিৰ্দিষ্ট বক্তা হিচাপে অসম জ্যেষ্ঠ নাগৰিক সন্মিলনৰ ৰাজ্যিক কাৰ্য নিৰ্বাহক সদস্য ললিত চন্দ্ৰ হাজৰিকা উপস্থিত থাকে।

০০০০০০০

লখিমপুৰ জিলা আয়ুক্তৰ কাৰ্যালয়ত আজি শিশুৰ আৰ্থিক ভৱিষ্যত সুনিশ্চিত কৰিবলৈ কেন্দ্ৰীয় বিত্ত মন্ত্ৰীয়ে ১৮ ছেপ্তেম্বৰত নতুন দিল্লীত শুভাৰম্ভ কৰা এন পি এছ বাৎসল্য আঁচনি সন্দৰ্ভত নাবাৰ্ডৰ এখন সজাগতা সভা অনুষ্ঠিত হয়। নাবাৰ্ডৰ জিলা উন্নয়ন প্ৰবন্ধকে আয়োজন কৰা সভাখনত জিলা ভাৰপ্ৰাপ্ত আয়ুক্তকে ধৰি চৰকাৰী উচ্চপদস্থ বিষয়াসকলে অংশগ্ৰহণ কৰে। ইয়াৰ লগতে পঞ্জাৱ নেচনেল বেংকৰ উত্তৰ লখিমপুৰ শাখাৰ বিষয়ববীয়া তথা জিলাখনৰ প্ৰায় ৩০ খন বিদ্যালয় আৰু কনিষ্ঠ মহাবিদ্যালয়ৰ অধ্যক্ষৰ লগতে বিষয়ববীয়াসকলে অনুষ্ঠানটোত অংশগ্ৰহণ কৰে। উল্লেখযোগ্য যে এন পি এছ বাৎসল্য আঁচনিৰ জৰিয়তে অভিভাৱকসকলে নাবালক সন্তানৰ বাবে ৰাষ্ট্ৰীয় পেঞ্চন ব্যৱস্থাৰ একাউণ্ট খুলিব পাৰিব। শিশুৰ আৰ্থিক সুৰক্ষা সুনিশ্চিত কৰা এই পদক্ষেপৰ ক্ষেত্ৰত সৰ্বোচ্চ বিনিয়োগৰ সীমা নিৰ্ধাৰণ কৰা হোৱা নাই।

সজাগতা সভাখনত নাবাৰ্ডৰ জিলা উন্নয়ন প্ৰবন্ধকগৰাকীয়ে আঁচনিখনৰ বিভিন্ন সুবিধাসমূহৰ বিষয়ে তথ্য সমৃদ্ধ উপস্থাপন আগবঢ়াই অভিভাৱকসকলক আঁচনিখনৰ সুবিধাসমূহ গ্ৰহণ কৰিবলৈ আহ্বান জনায়।

০০০০০০০

ঐতিহ্যমণ্ডিত বৰপেটা সত্ৰৰ প্ৰথমগৰাকী সত্ৰাধিকাৰ মথুৰাদাস বুঢ়াআতাৰ তিৰোভাৱ তিথি ৫ দিনীয়া কাৰ্যসূচীৰে আজি কীৰ্তন মহোৎসৱ হিচাপে সত্ৰখনত পালন কৰা হৈছে। উল্লেখযোগ্য যে শ্ৰীমন্ত শংকৰদেৱ আৰু শ্ৰীশ্ৰীমাধৱদেৱ গুৰু দুজনাৰ পাছতেই বৰপেটাৰ সত্ৰীয়া ব্যৱস্থাত মহাপুৰুষ মাধৱদেৱৰ প্ৰিয় শিষ্য শ্ৰীশ্ৰী মথুৰাদাস বুঢ়াআতাক অধিক মান্যতা প্ৰদান কৰা হয়। মহাপুৰুষ মাধৱদেৱে স্থাপন কৰা বৰপেটা সত্ৰক কেন্দ্ৰ কৰি মথুৰাদাস বুঢ়াআতাই মৌলিক চিন্তাৰে বৰপেটাত হাতিয়াৰ পুঁজিৰে বেংক ব্যৱস্থাৰ আৰম্ভণি কৰা, চৰু, ভড়াল আদি পদক্ষেপ গ্ৰহণ কৰিছিল। তদুপৰি তেওঁ সত্ৰৰ সত্ৰাধিকাৰজনক বংশানুক্ৰমিক নহয় সত্ৰবাসীৰ দ্বাৰা নিৰ্বাচিত কৰাৰ পৰম্পৰা সৃষ্টিৰে গণতান্ত্ৰিক ধ্যান ধাৰণাৰো জন্ম দিছিল। বুঢ়াআতাৰ তিৰোভাৱ তিথি মহোৎসৱৰ মূলসভা উপলক্ষে আজি ভকত বৈষ্ণৱ আৰু আইসকলৰ নাম প্ৰসংগৰ লগতে অংকীয়া নাটো পৰিবেশন কৰা হয়। আজিৰ কীৰ্তন মহোৎসৱত অংশগ্ৰহণ কৰি মাজুলীৰ উত্তৰ কমলাবাৰী সত্ৰৰ সত্ৰাধিকাৰ জনাৰ্দন দেৱগোস্বামীয়ে আতা পুৰুষসকলৰ আদৰ্শ আৰু তেওঁলোকে দি যোৱা অৱদান যুৱ প্ৰজন্মৰ ওচৰলৈ লৈ যোৱাত গুৰুত্ব আৰোপ কৰে।

০০০০০০০

বঙাইগাঁও জিলা জনস্বাস্থ্য কাৰিকৰী বিভাগ আৰু বঙাইগাঁও তথা অভয়াপুৰী পৌৰসভাৰ অধীনত ১৪ ছেপ্তেম্বৰৰ পৰা চলি থকা স্বচ্ছতাই সেৱা অভিযানৰ অংশ হিচাপে জিলাখনৰ বিভিন্ন বিভাগে চাফাই কাৰ্যসূচী, ক্ৰীড়া প্ৰতিযোগিতা আৰু গছপুলি ৰোপণ ইত্যাদি কাৰ্যসূচী ৰূপায়ণ কৰি আছে। এই অভিযানৰ অধীনত আজি জিলা ক্ৰীড়া বিভাগ আৰু বিদ্যালয় পৰিদৰ্শকৰ কাৰ্যালয়ৰ যৌথ উদ্যোগত বঙাইগাঁও চহৰৰ চিলাৰায় ইন্দোৰ ষ্টেডিয়ামৰ সন্মুখৰ পৰা এটা চাইকেল সমদল উলিওৱা হয়। সমদলটোত জিলা ক্ৰীড়া বিষয়া, বিদ্যালয়সমূহৰ পৰিদৰ্শক তথা জিলা তথ্য আৰু জনসংযোগ বিষয়াই উমৈহতীয়াভাৱে পতাকা জোকাৰি শুভাৰম্ভ কৰে। সমদলটো ইন্দোৰ ষ্টেডিয়ামৰ পৰা পৰিবহণ বিষয়াৰ কাৰ্যালয়ৰ সমীপেৰে গৈ পুনৰ ইন্দোৰ ষ্টেডিয়ামলৈকে উভতি আহে। প্ৰায় ডেৰশ ছাত্ৰ-ছাত্ৰীৰ লগতে সমদলত জিলা ক্ৰীড়া বিভাগৰ সকলো শাৰীৰিক প্ৰশিক্ষকে অংশগ্ৰহণ কৰে।

০০০০০০০

চেন্নাইৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত বাংলাদেশৰ বিৰুদ্ধে অনুষ্ঠিত দুখনীয়া টেষ্ট ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেলত ভাৰতে সবল স্থিতি অক্ষুণ্ণ ৰাখিছে। আজি তৃতীয় দিনৰ খেলৰ অন্তত আলহী দলটোৱে ৪ উইকেটৰ বিনিময়ত ১৫৮ ৰান সংগ্ৰহ কৰে। দলটোৱে ৬টা উইকেট হাতত থকা অৱস্থাত ৩৫৭ ৰানত পিছপৰি আছে। আজি দিনান্তত নাজমুল হুছেইন শ্বান্তোৱে ৫১ ৰান আৰু ছাকিব অল হাছানে ৫ ৰান কৰি অপৰাজিত হৈ আছে। ভাৰতৰ হৈ ৰবিচন্দ্ৰন অশ্বিনে ৩টা উইকেট দখল কৰাৰ বিপৰীতে যশপ্ৰীত বুমৰাহে এটা উইকেট লাভ কৰে। ইয়াৰ পূৰ্বে ভাৰতে ৪ উইকেটৰ বিনিময়ত সংগ্ৰহ কৰা ২৮৭ ৰানত নিজৰ দ্বিতীয় ইনিংছ ঘোষণা কৰি বাংলাদেশক জয়ৰ বাবে ৫১৫ ৰানৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিয়ে।

০০০০০০০

গোৱালপাৰা জিলাৰ আগিয়াৰ জে এন মেম'ৰিয়েল উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰ আয়োজিত অবিভক্ত গোৱালপাৰা জিলাৰ প্ৰথম শ্বহীদ নিধানুৰাম ৰাজবংশী সোঁৱৰণী ফুটবল প্ৰতিযোগিতাৰ চূড়ান্ত খেলখন আজি অনুষ্ঠিত হয়। ৰাভা-হাছং স্বায়ত্তশাসিত পৰিষদৰ সাহায্যত অনুষ্ঠিত প্ৰতিযোগিতাখনৰ চূড়ান্ত খেলত বাইজুৰি ফুটবল দল আৰু বৰদামাল ফুটবল দল মুখামুখি হয়। নিৰ্ধাৰিত সময়ত ২-২ গ'লত ড্ৰ' হোৱা খেলখনত ট্ৰাইবেকাৰৰ সহায়ত বাইজুৰি ফুটবল দলে প্ৰতিপক্ষক ৫-৪ গ'লত পৰাজিত কৰি চেম্পিয়নৰ খিতাপ অৰ্জন কৰে। বঁটা বিতৰণী সভাত ৰাভা-হাছং স্বায়ত্ত শাসিত পৰিষদৰ সদস্য হৰিশ ৰাভাকে ধৰি ভালেসংখ্যক বিষয়ববীয়া উপস্থিত থাকে।

০০০০০০০

**সমাপ্ত**